**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
***----------------------***

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হৈছে। এই উপলক্ষে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে আয়োজন কৰা অনুষ্ঠানত তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গল্পকাৰ আৰু প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড° কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰকৃতি বিষয়ত বক্তৃতা প্ৰদান কৰি বিশিষ্ট গল্পকাৰজনে ডিজিটেল মাধ্যমৰ আগমনৰ ফলত গণ মাধ্যমত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত তথ্য আৰু গণসংযোগ বিভাগৰ সঞ্চালক, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদককে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে ‘গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা’ শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিশিষ্ট লেখক, সাংবাদিক, পদ্মশ্ৰী অৰূপ কুমাৰ দত্তই এই বক্তৃতা আগবঢ়ায়।  তেওঁৰ বক্তৃতাত শ্ৰী দত্তই ৭০ৰ দশকৰ পাছৰ পৰা ছপা মাধ্যমৰ বিশ্বাসযোগ্যতা ক্ৰমাৎ কমিবলৈ ধৰা বুলি প্ৰকাশ কৰে আৰু বৈদ্যুতিন মাধ্যমৰ প্ৰচলনৰ পাছত এই বিশ্বাসযোগ্যতা আৰু হ্ৰাস পায় বুলি মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজীৱ লোচন বৰঠাকুৰ আৰু প্ৰেছ ক্লাবৰ সভাপতি সুস্মীতা গোস্বামী উপস্থিত থাকে।

এই দিৱসৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। তিনিচুকীয়া, মাজুলী, কাৰ্বি আংলং, গোলাঘাট, যোৰহাট, ধুবুৰী, শিৱসাগৰ, মানকাচৰ আৰু বৰপেটা জিলাতো জিলা প্ৰশাসন তথা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন কৰা হয়। প্ৰেছ দিৱস উপলক্ষে মন্ত্ৰী ৰণজিত কুমাৰ দাসে পাঠশালা প্ৰেছ ক্লাবৰ নিৰ্মীয়মান ভৱনৰ নিৰ্মাণকাৰ্যত শ্ৰমদান কৰে। নগাঁও জিলাত এই উপলক্ষে হয়বৰগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত নগাঁৱৰ সাহিত্য সভাৰ ভৱনত আয়োজন কৰা এটা অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক আৰু আকাশবাণী গুৱাহাটীৰ সংবাদদাতা ডালিম ফুকনলৈ চলিত বৰ্ষৰ ড০ আবু হানিফা স্মাৰক বঁটা আগবঢ়োৱা হয়।

০০০০০০০

সামাজিক ন্যায় আৰু সৰলীকৰণৰ কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে আজি ডিফুত উপস্থিত হৈ কাৰ্বি আংলং স্বায়িত্ব শাসিত পৰিষদৰ নেতৃবৃন্দ আৰু বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনিসমূহৰ ৰূপায়নৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে

জিলাখনত ৰূপায়ন কৰি থকা প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা, প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, জলসিঞ্চন আৰু শিক্ষাকে ধৰি বিভিন্ন আঁচনিসমূহ সময়মতে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

নতুন দিল্লীৰ ছাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে ৭৩ সংখ্যক বড়ো সাহিত্য দিৱস উদযাপন কৰা হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে আনুষ্ঠানিকভাৱে সভাৰ পতাকা উত্তোলন কৰে আৰু তাৰ পাছতে ফুলেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সাংস্কৃতিক সমাবেশৰ শুভাৰম্ভণি কৰে। অসমতো কোকৰাঝাৰৰ ফকিৰাগ্ৰাম মহাবিদ্যালয় আৰু বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ শাখাৰ উদ্যোগত বড়ো সাহিত্য দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়। উল্লেখযোগ্য যে নতুন দিল্লীত কালি প্ৰথমবাৰৰ বাবে আয়োজন কৰা বড়োলেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০

বাক্সা জিলা চাপাগুৰি ককলাবাৰী প্ৰাইমাৰী বড়ো সাহিত্য সভাই আজি জিলাখনৰ হুজুৱাত থকা কাৰ্যালয় প্ৰাংগণত বড়ো থুনলাই আফাড অৰ্থাৎ বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। অনুষ্ঠানত চাপাগুৰি ককলাবাৰী প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ উপ সভাপতি কালিকান্ত ব্ৰহ্মই পতাকা উত্তোলন কৰাৰ পাছতে প্ৰতিষ্ঠা দিৱস পালনৰ তাৎপৰ্য ব্যাখ্যা কৰে। ইয়াৰ পাছতে বড়ো কবিতা পাঠৰ এটা অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰেলৱেই উত্তৰ পূৰ্বাঞ্চললৈ যোৱা অক্টোবৰ মাহত মুঠ ৯২১ খন মালবাহী ৰেলৰ চলাচল কৰায়। উত্তৰ-পূব সীমান্ত ৰেলৱেই মাহটোত চাউল, চেনি, নিমখ, খোৱাতেল, অন্যান্য খাদ্য শস্য, সাৰ, চিমেণ্ট, যান-বাহনকে ধৰি ভালেসংখ্যক নিত্য ব্যৱহাৰ্য প্ৰয়োজনীয় সামগ্ৰী দেশৰ বিভিন্ন অঞ্চলৰ পৰা উত্তৰ পূৰ্বাঞ্চললৈ পৰিবহণ কৰে। এই সময়ছোৱাত অসমলৈ মুঠ ৫৩৬ খন মালবাহী ৰেলৰ ডবা অহাৰ লগতে ত্ৰিপুৰালৈ ৫৯ খন, নাগালেণ্ডলৈ ১৫ খন, অৰুণাচল প্ৰদেশলৈ ১০ খন, মণিপুৰলৈ ১০ খন আৰু মিজোৰামলৈ এখন মালবাহী ৰেলগাড়ীয়ে মাল-বস্তু কঢ়িয়াই আনে। বিগত সময়ছোৱাত অসমলৈ দ্বৈত ৰেলপথ নিৰ্মাণৰ কাম ত্বৰান্বিত হোৱাৰ লগতে ৰেল সেৱাৰ কাৰিকৰী দিশসমূহৰ উন্নতিৰ ফলত মালবাহী ৰেলগাড়ীসমূহৰ গতিবেগ পূৰ্বতকৈ বৃদ্ধি পাইছে আৰু সেই বাবেই অধিক মাল-বস্তু পৰিবহন সম্ভৱ হৈছে বুলি ৰেলৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

শিশু আৰু ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাক আজি আনুষ্ঠানিকভাৱে ২০২৪ বৰ্ষৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা প্ৰদান কৰা হয়। সাহিত্য একাডেমীৰ অধ্যক্ষ মাধৱ কৌশিকে বিশিষ্ট সাহিত্যিকগৰাকীলৈ এই বঁটা আগবঢ়ায়। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দেশৰ ২৪ গৰাকী শিশু সাহিত্যিকক আজি এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে শিশু সাহিত্যিক হাজৰিকাক **বিপন্ন বিস্ময় খেল** গ্ৰন্থখনৰ বাবে সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটাটো আগবঢ়োৱা হৈছে। একেটা অনুষ্ঠানতে বড়ো ভাষাৰ শিশু সাহিত্যিক ভাৰ্জিন জেক'ভা মুছাহাৰীলৈয়ো শিশু সাহিত্য বঁটা আগবঢ়োৱা হয়।

০০০০০০০

সমাপ্ত